# কুঁহিপাত

উদ্ভিদ বিজ্ঞান বিভাগ

....এক নতুন দিগন্তৰ দিশে

(দ্বিতীয় সংখ্যা)



নিদুস্মিতা ডেকা
নম্ৰতা প্ৰীতম গোস্বামী
সম্পাদক

শ্ৰীযুত পুষ্পেন্দ্ৰ কুমাৰ শৰ্মা
তত্বাৱধায়ক

# কুঁহিপাত

......এক নতুন দিগন্তৰ দিশে

দ্বিতীয় সংখ্যা, ২০২৩

ESTD:1972

উদ্ভিদ বিজ্ঞান বিভাগ

**তত্ত্বাৱধায়ক**

শ্ৰীযুত পুষ্পেন্দ্ৰ কুমাৰ শৰ্মা

**সম্পাদক**

নিদ্ৰাস্মিতা ডেকা

নক্ষত্ৰ প্ৰীতম গোস্বামী

# কৃতজ্ঞতাৰ শৰাই

"কুঁহিপাত" দ্বিতীয় সংখ্যাৰ সমূহ লেখক-লেখিকা, বিভাগীয় কৰ্তৃপক্ষ, শিক্ষকবৃন্দ আৰু আলোচনীখনি সোঁহৰলৈ অহাত প্ৰত্যক্ষ বা পৰোক্ষভাৱে অৰিহণা যোগোৱা সকলো ব্যক্তিৰ ওচৰত সম্পাদনা সমিতি কৃতজ্ঞ।

— সম্পাদনা সমিতি

# শুভেচ্ছাবাণী

পূব কামৰূপ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ হাতেলিখা আলোচনী "কুঁহিপাত"ৰ দ্বিতীয় সাংখ্যাটি অতিশয় আশাব্যঞ্জক আৰু সবল প্ৰয়াস। এই প্ৰয়াসে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীলতাক বাস্তৱ ৰূপত উদ্ভাসিত কৰিব।

"কুঁহিপাত"ৰ দ্বিতীয় সাংখ্যাৰ জাগৰণত নিহিত হৈ থকা শাশ্বত তত্ত্বৰ অনাগত দিনত বাস্তৱত প্ৰতিফলিত হওঁক, তাৰেই

শুভকামনাৰে

[illegible] কুমাৰ শৰ্মা
১২/০৪/২০১৬

# সম্পাদনাৰ নেপথ্যত

তত্ত্বাৱধায়ক : শ্ৰীযুত পুষ্পেন্দ্ৰ কুমাৰ শৰ্মা, মুৰব্বী অধ্যাপক,
উদ্ভিদ বিজ্ঞান বিভাগ

উপদেষ্টা : শ্ৰীযুত হিৰেন্দ্ৰ চহৰীয়া, সহযোগী অধ্যাপক
ড° পৰেশ চন্দ্ৰ কলিতা, সহযোগী অধ্যাপক
ড° দীপক কৌৰৱ, সহকাৰী অধ্যাপক

সম্পাদক : নিদুস্মিতা ডেকা, ৬ষ্ঠ ষাণ্মাসিক
নম্ৰতা প্ৰীতম্ গোস্বামী, ৬ষ্ঠ ষাণ্মাসিক

সদস্য : হিয়ামণি নাথ, ৬ষ্ঠ ষাণ্মাসিক

বেটুপাত : মেঘালী ডেকা, ৪ৰ্থ ষাণ্মাসিক
প্ৰীতি ৰাণী ডেকা, ৬ষ্ঠ ষাণ্মাসিক

অলংকৰণ : নম্ৰতা প্ৰীতম্ গোস্বামী, ৬ষ্ঠ ষাণ্মাসিক
নিদুস্মিতা ডেকা, ৬ষ্ঠ ষাণ্মাসিক
প্ৰীতি ৰাণী ডেকা, ৬ষ্ঠ ষাণ্মাসিক

# সম্পাদকীয়

পৰম বিস্ময়, ভয়-শংকাৰ মাজেৰে গৌৰৱণীয় সোণালী ক্ষণত পূৱ-কামৰূপ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ প্ৰয়াত সমূহ মহান ব্যক্তিলৈ গোনতে ভক্তিৰ অঞ্জলি যাঁচি আমাৰ সম্পাদকীয় কলম বুলাবলৈ বিনম্ৰ প্ৰয়াস কৰিছোঁ।

হে মহানুভৱসকল, আপোনালোকৰ হিয়াৰ আমঠু 'পূৱ-কামৰূপ মহাবিদ্যালয়ে' আপোনালোকৰ আশা-আকাংক্ষাক সযতনে বোকোচাত লৈ এই বছৰ পঞ্চাশ বছৰ অতিক্ৰম কৰিলে। এই সময়ত আপোনালোকৰ অনুভৱ অনুধাৱন কৰাত আমি কিমানদূৰ সফল হৈছোঁ নাজানো কিন্তু কল্পনা কৰিছোঁ আপোনালোকৰ আশীৰ্বাদৰূপী আনন্দাশ্ৰু লুইতৰ বুকুৰে বৈ আছি যেন আমাক জীপাল কৰে, উৰ্বৰ কৰে, শক্তি দিয়ে। আমি সভ্য আৰু সংস্কৃতিবান মানুহ হিচাপে আজি এই শুভক্ষণত আপোনালোকক স্মৰণ কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ।

সাহিত্য হ'ল এক সুস্থ সভ্য জাতিৰ সভ্যতা সংস্কৃতিৰ দাপোন স্বৰূপ। মানুহ অবিহনে এখন সমাজ অৰ্থহীন, সেইদৰে সাহিত্য অবিহনে সমাজ অস্তিত্বহীন। সাহিত্যৰ সৃষ্টি হয় সামাজিক জীৱনৰ পৰাই। সেয়ে সমাজত ঘটি থকা ঘটনা-পৰিঘটনাৰ কলাত্মক প্ৰতিফলন সাহিত্যত পৰিস্ফুট হোৱা দেখা যায়। কিন্তু দুৰ্ভাগ্যজনক যে আজিকালি সহজলভ্য স্মাৰ্টফোন, ফেচবুক, হোৱাটছ্‌আপ, ইনষ্টাগ্ৰাম আদিয়ে আমাৰ প্ৰজন্মক এনেদৰে আকৰ্ষিত কৰিছে যে কিতাপ পঢ়াৰ বা কিবা এটা লিখাৰ মানসিকতা নোহোৱা কৰি পেলাইছে। আনহাতে আমাৰ বিজ্ঞানৰ ছাত্ৰৰ মনত এনে ধাৰণাই বাঁহ বান্ধিছে যে বিজ্ঞানৰ ছাত্ৰ হৈ আমি কবিতা লিখিম নে? কিন্তু কথাটো তেনেকুৱা জানো? বিজ্ঞানে যদি আমাৰ

জীৱন-ধাৰণৰ মান উন্নত কৰিছে কলাই মানুহৰ মাজত মৰম-চেনেহৰে সমাজখন ধৰি ৰাখিছে। গতিকে আমি সকলোৱে আমাৰ অন্তৰালত থকা বৈজ্ঞানিক সত্ত্বাৰে লগতে কলাগত সত্ত্বাটোকো অনুভৱ কৰা উচিত।

অৱশ্যে প্ৰতিয়াওঁ ইয়াৰ মাজতে খুব অজস্ৰৰ বহুতে সাহিত্য-চৰ্চাৰ লগতে বিভিন্ন দিশত জড়িত হৈ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। চচিয়েল মিডিয়াই বহুতৰে সময় অপব্যয় কৰাৰে মাজতে বিভিন্ন ধৰণৰ ফেচবুক গ্ৰুপবোৰে এখন সুন্দৰ মঞ্চ প্ৰদানৰ জৰিয়তে বহুতো ন-ন লিখকৰ সৃষ্টি কৰাটোও লক্ষ্যনীয়।

শিক্ষানুষ্ঠানে এখনৰ আলোচনীখন ধ্যান-ধাৰণাৰ বাহক। আমাৰ মহাবিদ্যালয়ৰ এখন মুখ্য আলোচনী থকাৰ উপৰিও প্ৰতিবছৰে বসন্ত ঋতুক আদৰাৰ সময়তে 'বসন্তৰ বৈমালি' নামেৰে এখন পকেট আলোচনীও প্ৰকাশ কৰা হয়। তথাপিও ন-লিখকৰ প্ৰতিভা সম্পূৰ্ণ যাতে অকালতে মৰহি নাযায় আৰু এখন সুন্দৰ মঞ্চ দিব পৰা যায় সেই উদ্দেশ্য আগত ৰাখিয়ে আমাৰ 'উদ্ভিদ বিজ্ঞান বিভাগে' "কুঁহিপাত" নামেৰে এখন বিভাগীয় হাতেলিখা আলোচনী প্ৰকাশ কৰে। মাননীয় শিক্ষাগুৰু সকলে 'কুঁহিপাত'ৰ দ্বিতীয় সংখ্যাটি উলিওৱাৰ দায়িত্ব আমাক অৰ্পণ কৰাত আমি পাৰিমনে(?) বুলি যদিও চিন্তিত হৈছিলোঁ সময়মতে লিখনিবোৰ আমাৰ হাতলৈ অহাত কামবোৰ সহজলভ্য হৈ পৰিছিল। এই চেগতে আমাক সততে দিহা-পৰামৰ্শৰে অনুপ্ৰাণিত কৰা আটাইকেইজন বিভাগীয় শিক্ষাগুৰুলৈ শ্ৰদ্ধা নিবেদিছোঁ। লগতে বিভিন্ন দিশত সহায় আগবঢ়োৱা ৬ষ্ঠ ষাণ্মাসিকৰ হিয়ামনি নাথ আৰু বৈদুপাত আৰু অলংকৰণত সহায় কৰা ৪ৰ্থ ষাণ্মাসিকৰ মেধালী ডেকা আৰু ৬ষ্ঠ ষাণ্মাসিকৰ প্ৰীতি ৰাণী ডেকালৈ আমাৰ অন্তৰৰ নিভৃততম কোণৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমাৰ বিভাগৰ ছাত্ৰ-ছাত্ৰী অনুপাতে লিখনিৰ সংখ্যাত আমি হয়তো কৰবাত নিছলা হৈয়ে ৰলোঁ। ভৱিষ্যতলৈ আশা ৰাখিম গভীৰ অধ্যয়ন আৰু কঠোৰ সাধনাই এদিন আমাকো সমৃদ্ধিশালী কৰি তুলিব।

সৰ্বশেষত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সন্মুহ পাঠক সমাজে গঠনমূলক আৰু যুক্তিমূলক পৰামৰ্শ আগবঢ়াব বুলি আন্তৰিকতাৰে কামনা কৰিলোঁ ।

জয়তু পূব কামৰূপ মহাবিদ্যালয়
জয়তু উদ্ভিদ বিজ্ঞান বিভাগ

— আন্তৰিকতাৰে
নম্ৰতা প্ৰীতম্ গোস্বামী
নিবুদ্মিতা ডেকা

# সূচীপত্ৰ

## প্ৰবন্ধ


1-2 • বিশ্বৰ সৰ্ববৃহত ফুলটো - ড° পৰেশ চন্দ্ৰ কলিতা

3-7 • Effect of climate change in public health - Indrajit Kalita

8-12 • জীৱনৰ তিনিটা বৰ্ষৰ উত্থান-পতনত "উদ্ভিদ বিজ্ঞান বিভাগ"ৰ ভূমিকা - নিদুস্মিতা ডেকা

13-15 • অসমৰ অৰ্কিড - নম্ৰতা প্ৰীতম্ গোস্বামী

16-18 • পূব কামৰূপ মহাবিদ্যালয়ত মোৰ এক সুমধুৰ যাত্ৰা - হিয়ামনি নাথ

19-21 • অসমৰ সেউজী ৰূপহী - কৰিশ্মা কলিতা


## অনুগল্প


22 • মানৱীয়তা - নিদুস্মিতা ডেকা

সময় - নম্ৰতা প্ৰীতম্ গোস্বামী

23 • চিত্ৰকলা - মেঘালী ডেকা


## কবিতা


24 • মোক অকণমান সময় লাগে - দিশান্ত নাথ

Comrade - উপাসনা দাস

25 • চিন্তাৰ সমাধি - নিদুস্মিতা ডেকা

26 • সময় - হিয়ামনি নাথ

27 • শোষণ-পোষণ - সমীৰণ কলিতা

28 • চিঠি - দৰ্শনা শইকীয়া
29 • স্বপ্ন (সংগ্ৰহ) নিৰ্বাহিতা - কস্তুৰিকা ভূঞা
- নিধুস্মিতা ডেকা

## চুটিগল্প

30-31 • শংকা - শ্ৰীযুত পুষ্পেন্দ্ৰ কুমাৰ শৰ্মা
32-33 • স্বগত নিৰ্বাচন - বেনজিন চুলতানা
34-35 • মৃত্যুৰ সংজ্ঞা - শ্ৰীযুত পুষ্পেন্দ্ৰ কুমাৰ শৰ্মা

## বিবিধ

36-38 • সাফল্যৰ ৰেঙনি
39 • প্ৰাচীৰ পত্ৰিকা
40 • বিভাগৰ এটি ৰেঙনি

# প্ৰবন্ধ

"সাহিত্য কস্মিনকালেও এক বিমূৰ্ত সংশ্লেষণ নহয়। সাহিত্যৰ লক্ষ্যই হ'ল সত্যানুসন্ধান। এই মহৎ উদ্দেশ্য আগত ৰাখি সৃষ্টি হোৱা সাহিত্যকৰ্মই হয়গৈ বয়সোত্তীৰ্ণ- কালোত্তীৰ্ণ সাহিত্য। মানৱতাৰ পুণ্য-ভূমিত কৰ্ষিত হোৱা সাহিত্যই সাৰ্বজনীন ৰূপ পৰিগ্ৰহ কৰি মানুহৰ অন্তৰ জয় কৰে। মানুহৰ জীৱন- গাঁথাক ভাস্বৰ কৰা সাহিত্য সদায় অবিনশ্বৰ। অহৰহ আমি এই সত্য প্ৰত্যক্ষ কৰি আহিছোঁ। সাধাৰণ মানুহৰ জীৱন বৃত্তই আমাৰ অন্তৰ যিদৰে মথিত কৰিব পাৰে সাহিত্যৰ আন কোনো উপাদানে নোৱাৰে।"

— অনুৰাধা শৰ্মা পূজাৰীৰ ডায়েৰী

# বিশ্বৰ সৰ্ব্ববৃহত ফুলটো

— ড° পৰেশ কলিতা
সহযোগী অধ্যাপক



বিশ্বৰ আটাইতকৈ সৰ্ববৃহত ফুলটো হ'ল ৰাফ্লেছীয়া (<u>Rafflesia</u> <u>arnoldii</u> R. Br.), গোত্ৰ ৰাফ্লেছীয়েচি (Rafflesiaceae) Robert Brown য়ে ১৮20 চনৰ জুন মাহত Rafflesia ক পোন প্ৰথমে Indonesia ৰ পৰা আৱিষ্কাৰ কৰিছিল। ই এবিধ সম্পূৰ্ণ পৰজীৱী উদ্ভিদ। ইয়াৰ শিপা, কাণ্ড আৰু পাত নাই। ফুলটো অতি ধুনীয়া, প্ৰায় ১মিটাৰ বহল

আৰু প্ৰায় ৭ কি.গ্ৰাম ওজনৰ। ইয়াৰ সুগন্ধি নাই।
*Rafflesia* ৰ প্ৰায় ২৮ টা প্ৰজাতি পোৱা যায়। ইয়াৰ ভিতৰত *R. arnoldii* য়ে হ'ল আটাইতকৈ সৰ্ববৃহত। বৰ্তমান ই এবিধ অতি দুষ্প্ৰাপ্য (Rare) উদ্ভিদ। পৃথিৱীৰ ঘন বৰষুণ হোৱা ওখ-পাহৰুৱা অঞ্চলত কাচিত দেখা যায়। প্ৰধানতঃ ইয়াক Indonesia ত স্থানীয় (Endemic) হিচাপে পোৱা যায়। যদিও Sumatra, Borneo, Philippines, Malaysia, Thailand ত ইয়াক কেতিয়াবা দেখা যায়। ভাৰতবৰ্ষৰ পূৰ্ব হিমালয় তথা অৰুণাচল প্ৰদেশৰ নামদাফা বৰ্ষাৰণ্যত ইয়াক চাপ্ৰিয়া (Sapria) নামেৰে জনা যায়।

*Tetrastigma* নামৰ উদ্ভিদ ইয়াৰ গৃহস্থ (Host Plant) উদ্ভিদ হিচাপে পোৱা যায়।

*Rafflesia* ৰ ঔষধি গুণাগুণ পোৱা যায়। বিশেষকৈ কেঁচুৱা জন্ম দিয়া মাতৃৰ ৰক্তক্ষৰণ নিয়ন্ত্ৰণ কৰিবলৈ ইয়াৰ মুকুল (bud) ব্যৱহাৰ হয়। জ্বৰৰ পৰিমাণ নিম্নগামী কৰিবলৈও ইয়াক ব্যৱহাৰ কৰা হয়।

এই জোপা দুষ্প্ৰাপ্য উদ্ভিদৰ বাসস্থান সংৰক্ষণত অধিক গুৰুত্ব দি ইয়াৰ বৃদ্ধি অব্যাহত কৰিব পাৰি।

## FACT

Sulfuric compounds are to blame for cut onions bringing tears to your eyes. According to the National Onion Association, chilling the onion and cutting the root end last reduces the problem.

# Effect of climate change in public health




– Indrajit Kalita
Ex- student, M.Sc, M.Phil
PhD research Scholar,
Gauhati University
Project Scientist, Assam Science Technology and Environment Council

It has been observed that human beings are mostly affected due to climate change-induced rise in temperature, rain fall, warm air, flood, drought, fire etc.. Moreover, the effects of excessive heat and cold cause the death of living things. The population are now facing a wide range of other difficulties as a result of climate change. The situation could get worse in future.

- Malaria is an old vector borne disease of our region which has not yet been completely eradicated and there is a possibility of increase in incidence of similar diseases as a result of climate change. Several districts of Assam like Karbi-Anglong, Dima Hasao, Hailakandi, Udalguri,

Baksa, Chirang, Kokrajhar, Goalpara are prone to malaria.

- Incidence of influenza, Japanese encephalitis, respiratory problems, heart disease, skin disease etc., is escalating. The main reason behind climate change is massive use of fossil fuel in industries. Respiratory problems are increasing day-by-day due to various developmental activities. The problems mostly affect the children and elderly.
- Many infectious diseases are rising.
- In Assam, rise of temperature has already been felt and there is a possibility that it will rise further which will result in occurance of more diseases and consequently more incidents of causality.
- As an outcome of climate change, incidence of cyclone, flood, landslide, fire etc., will increase which might result in loss of lives and property.
- Food and water shortage will occur due to climate change, which will affect people's health. Food shortage will cause malnutrition and other diseases.
- Possibilities of spread vector borne, water borne and communicable diseases will be higher.

Besides these, people will be compelled to migrate from one place to another due to climate change.

Over dependency on limited resources by ever growing population will lead to increase in conflicts in society. Moreover, the diseases that are believed to have been eradicated may reoccur as an impact of climate change.

## How to prepare to face challenges of climate change

There is urgent need of efforts in personal as well as government levels to mitigate and adapt to the possible impacts of climate change on public health and also to fight those.

- Use of solar energy shall be promoted and the solar panels or other related equipments should be made easily available at low cost for general public.
- Families using firewood should opt for low cost and smokeless heart (cooking stove) which will reduce the use of firewood besides providing respite from breathing problems and eye diseases caused by the smoke generated by fire-wood. Arrangement of proper sanitation, pure drinking water and enough nutritious food should be made available when people have to relocate due to flood, land-slide etc. Sometimes vulnerable people may have to make arrangement for food in advance for crisis situations. We may also change our food habit and go for regular saving of food items which are suitable for consumption during adverse circumstances. For example, powder of various plantains like Athia kol & Bhim kol – Assamese word of banana are traded in market at high

Values. Health benefits of "Bhim kol" (a variety of banana) are well known. It can be an alternative arrangement for food during crisis situation.

Change in lifestyle and working hours may become necessary. The activities that are done under the direct sunlight can be avoided in usual time and can be done in hours of the day when the temperature of the sun is not that scorching. This will give us respite from intolerable heat which is injurious to our health. The timing for schools, offices, shops etc., can be changed as per the need to avoid extreme climatic conditions.

- Use of fossil fuel should be reduced to the extent possible. Number of powder intensive industries and thermal power plants should be regulated.

Climate change can affect our life in many other ways. Especially, children and women are more prone to the impact of climate change. Climate change can induce unethical activities, social conflicts etc.

We need to act from this moment to combat impacts of climate change. There is no scope for postponing our actions for future; otherwise our next generation would face disastrous consequences. The topic of climate change shall be discussed properly and as much as possible in suitable platforms involving all the stakeholders.

The first and foremost step to be taken in this matter should be population control and stop human

activities which lead to imbalance in nature.
Our humble contribution towards increasing Earth's greenery such as aforestation and reforestation and taking utmost care of it will be count as significant.
You can earn profit in monetary terms by taking necessary care of your homestead garden.
Learn new and developed techniques for agriculture and animal husbandry, also prepare and plan for any disaster that could happen in future.
Do not destroy fisheries, water bodies etc. Rules and regulations can be made in our local level for preservation and regulated use of natural resources.

Part of a population has destroyed so much of our mother nature, no steps undertaken by us will go a long way in helping our combat against challenges posed by climate change and make it the way it was before.

# জীৱনৰ তিনিটা বৰ্ষৰ উত্থান-পতনত "উদ্ভিদ-বিজ্ঞান বিভাগ"ৰ ভূমিকা

— নিদুস্মিতা ডেকা
৫ম ষাণ্মাসিক

প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ জীৱনত মহাবিদ্যালয়ত অতিবাহিত সময়ৰ সুকীয়া আমেজ আৰু স্মৃতি থাকে। "কলেজীয়া জীৱনটো সাংঘাতিক" বুলিও বিভিন্নজনে মত পোষণ কৰে। এই সময়খিনিত ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ উত্থান-পতনে বিশেষভাৱে অৰিহণা যোগায়, তেওঁলোকৰ ভৱিষ্যতৰ কৰ্মৰাজি তথা ব্যক্তিত্বত। মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ প্ৰধান উদ্দেশ্য যদিও শিক্ষা, বিদ্যালয়ৰ দৰেই ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন দিশৰ প্ৰতিভা বিকাশৰ প্ৰাথমিক মঞ্চখনেই হৈছে মহাবিদ্যালয়, উচ্চশিক্ষাৰ দুৱাৰডলি হৈছে মহাবিদ্যালয়।

পূব কামৰূপ মহাবিদ্যালয়ত অতিবাহিত মোৰ জীৱনৰ তিনিটা বৰ্ষৰ কিছু চিৰসেউজ স্মৃতি হৃদয়ত সজীৱ কৰি ৰখাৰ মন মেলিছোঁ।

- ৰসাল স্মৃতিৰে পৰিপূৰ্ণ এটি দিন, ২০২১ চনৰ ৩০ অক্টোবৰ — তৃতীয় ষাণ্মাসিকৰ অধ্যয়ন ক্ষেত্ৰৰ এটা প্ৰতিবেদন (Field Study Report)ৰ বাবে বিভাগীয় অধ্যাপক ড° পৰেশ চন্দ্ৰ কলিতা ছাৰে আমাক লৈ গৈছিল মদন কামদেৱস্থিত Botanical Garden খনলৈ। বিভিন্ন প্ৰজাতিৰ উদ্ভিদবোৰ নিৰীক্ষণ কৰাৰ লগতে সংৰক্ষিত উদ্ভিদ কিছুমানৰ বিষয়েও অধ্যয়ন কৰিছিলোঁ।

- সযতনে ৰাখিব পাৰিম আন এটা দিন, ২০২১ চনৰ ২০ নৱেম্বৰ — বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'BOTANICA'ৰ ২০২১-২২ বৰ্ষৰ "Save me" শীৰ্ষক সংখ্যাটি তৃতীয় ষাণ্মাসিক (বৰ্তমানৰ ৫ম)ৰ প্ৰায় ১৫ জন ছাত্ৰ-ছাত্ৰীৰ প্ৰচেষ্টাত আৰু শিক্ষাগুৰুসকলৰ নিৰ্দেশনাত শুভ উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখনিৰ কাম সম্পাদন কৰিবলৈ মাত্ৰ দুদিনৰ সময়সূচী নিৰ্ধাৰণ কৰি মোক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰাত সহপাঠী সকলৰ সহযোগত নিৰ্ধাৰিত

সময়ৰ ভিতৰত কাম সম্পন্ন কৰি প্ৰস্তুত কৰি উলিওৱা হয়।

• স্মৃতিৰে জীপাল হৈ থাকিব ২০২১ চনৰ ১০-১৪ ফেব্ৰুৱাৰী — পূব কামৰূপ মহাবিদ্যালয়ৰ ৪৭ সংখ্যক যুৱ মহোৎসৱৰ দিন কেইটি। আটাইকেইটা দিনতে বিভিন্ন প্ৰতিযোগিতা সমূহত (ভেশ্চন, কইনা প্ৰতিযোগিতা, চাফাই প্ৰতিযোগিতা, সাহিত্য, খেল) অংশগ্ৰহণ কৰা আৰু পুৰস্কৃত হোৱাৰ যি স্মৃতি, আজীৱন গৌৰৱেৰে বুকুত কঢ়িয়াই লৈ ফুৰিব পাৰিম।

• আন এটি বিশেষ দিনৰ স্মৃতি বোকোচাত কঢ়িয়াব পাৰিম, ২০২২ **বৰ্ষৰ** ষষ্ঠ ষান্মাসিক (আমাৰ অগ্ৰজসকল)ৰ বিদায় সভা — ১৬ জুন। এইখিনিতে এটি বিশেষ নাম উল্লেখ নকৰিলে এই দিনটোৰ বিষয়ে লিখাটো অনৰ্থক হ'ব; প্ৰিয় বান্ধৱী, নম্ৰতা প্ৰীতম গোস্বামী — শিক্ষাগুৰু সকলৰ আদেশ, উপদেশমৰ্মে বিগত তিনিটা বৰ্ষত বিভাগীয় সভাসমূহ আয়োজনৰ দৰে দায়িত্ব শিৰত তুলি লোৱা বিভাগৰ চিনাকী মুখ দুখনৰ এখন। সভাৰ কাৰ্যসূচী তৈয়াৰ কৰাৰে পৰা সম্পূৰ্ণ সভাখনৰ আঁত ধৰালৈ, বৰষুণত তিতি সম্পূৰ্ণ বজাৰ-সমাৰ কৰাৰে পৰা সভাৰ অন্তত সকলো সামগ্ৰী সামৰি ঘৰলৈ যোৱালৈ, বিভাগৰ বাবে যিখিনি সময় আৰু শক্তি যাঁচিব পাৰিলোঁ, সেইখিনিৰ বাবে আমি যথেষ্ট সুখী।

• স্মৃতি ৰোমন্থন কৰি উভতি যাব পাৰিম এটি দিনলৈ, ২০২২ চনৰ ৪ জুলাই — চতুৰ্থ ষান্মাসিকৰ অধ্যয়ন ক্ষেত্ৰৰ প্ৰতিবেদন (Field Study Report)ৰ বাবে বিভাগীয় অধ্যাপক শ্ৰদ্ধাৰ ড° দীপক কোঁৱৰ ছাৰ আৰু শ্ৰদ্ধাৰ ড° পৰেশ চন্দ্ৰ কলিতা ছাৰৰ নেতৃত্বত আমি Experimental Botanical Garden, Barapani, Meghalaya লৈ যাত্ৰা কৰিছিলোঁ।

Experimental Botanical Garden, Barapaniৰ Scientist Mr. B Thum ৰ মাগদৰ্শনত আৰু আমাৰ দুয়োজন ছাৰৰ নিৰ্দেশনাত আমাৰ Project Report ৰ বাবে প্ৰয়োজনীয় বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ বিষয়ে আমি তথ্য লাভ কৰিছিলোঁ। মেঘালয়ত থকা আৰু ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অনা বিভিন্ন প্ৰজাতিৰ উদ্ভিদসমূহৰ সবিশেষ তথ্য জানিব পাৰিছিলোঁ। আমাৰ প্ৰয়োজনীয় প্ৰায় সকলো তথ্য লৈ আৰু উমিয়াম হ্ৰদৰ মোহনীয় সৌন্দৰ্য্য উপভোগ কৰি আমি বাইহাটা চাৰিআলি অভিমুখে ৰাওনা হৈছিলোঁ।

• সাহিত্যৰ নোৱাৰা এটা দিন, ২০২২ বৰ্ষৰ ৫ চেপ্তেম্বৰ — শিক্ষক দিৱস। অনুষ্ঠানটোক উদ্‌যাপন কৰা হৈছিল যদিও সেই দিনটোৰ মহত্ত্ব আৰু শিক্ষাগুৰু সকলৰ বহুমূলীয়া উপদেশ তথা প্ৰেৰণামূলক বক্তব্য প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় সম্বল।

• স্মৃতিৰে জীয়াই ৰাখিব পাৰিম, ২৭ চেপ্তেম্বৰ — ২০২২ বৰ্ষৰ প্ৰথম ষান্মাসিকৰ (বৰ্তমানৰ দ্বিতীয়) নৱাগত আদৰণি সভা। উপৰত উল্লেখ কৰা ধৰণে আয়োজনৰ সম্পূৰ্ণ দায়িত্ব পালন কৰি অনুষ্ঠানটো নিয়াৰিকৈ চলাই নিয়াৰ প্ৰয়াস কৰা হৈছিল। সভাৰ বাবে তাতৰ শ্ৰেণীকোঠাটো সজোৱা (Decoration), যিটো অবিহনে কোনো অনুষ্ঠানে সম্পূৰ্ণ নহয়, সেই গুৰুত্বপূৰ্ণ কামটো অতি নিয়াৰিকৈ সমাপন কৰিছিল পঞ্চম ষান্মাসিক (বৰ্তমানৰ ৬ষ্ঠ)ৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে। সভাৰ প্ৰাকক্ষণত তৃতীয় ষান্মাসিকৰ (বৰ্তমানৰ ৪ৰ্থ) ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুত কৰি উলিওৱা ২০২২-২৩ বৰ্ষৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰা হয়।

• আন এটি দিনৰ স্মৃতি সযতনে ৰাখিম, ২০২২চনৰ ২৩ নৱেম্বৰ — পঞ্চম ষান্মাসিকৰ অধ্যয়ন ক্ষেত্ৰৰ প্ৰতিবেদনৰ বাবে বিভাগীয় অধ্যাপক শ্ৰদ্ধাৰ ড° পৰেশ চন্দ্ৰ কলিতা ছাৰৰ সৈতে আমি যাত্ৰা কৰিছিলোঁ কৃষি বিজ্ঞান কেন্দ্ৰ, অসম কৃষি বিশ্ববিদ্যালয়, কাঁহিকুচি (Agricultural Research Station, AAU, KAHIKUCHI) লৈ। কৃষি বিজ্ঞান কেন্দ্ৰৰ Scientist ড° সমীৰণ পাঠক ছাৰৰ মাগদৰ্শনত আমি আমাৰ প্ৰকল্পৰ বাবে প্ৰয়োজনীয় উদ্ভিদসমূহ পৰ্যবেক্ষণ কৰোঁ। সকলোৱে একেলগে চান্দডুবি হ্ৰদৰ পাৰত ফুৰাৰ সুযোগ এটিও পালোঁ।

• বিভাগৰ বাবে অতি গুৰুত্বপূৰ্ণ আন দুটা দিন, ১০ আৰু ১১ ফেব্ৰুৱাৰী — ২০২৩ বৰ্ষৰ ষষ্ঠ ষান্মাসিকৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীক Scientific Presentation ত পাৰ্গত কৰিবলৈ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলে এখন দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰে। প্ৰথমদিনা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক, ড° নিৰ্মল ৰঞ্জন মজুমদাৰ ছাৰ আৰু দ্বিতীয়দিনাৰ নিৰ্দিষ্ট বক্তা তথা প্ৰশিক্ষক হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ বি.এড বিভাগৰ সহকাৰী অধ্যাপক,

জিষ্ণু ডেকা ছাৰ। দুয়োজন ছাৰে আমাক Scientific Presentation সম্পৰ্কে বিভিন্ন জ্ঞান দিয়ে আৰু ব্যৱহাৰিক শিক্ষাৰে আমাৰ দক্ষতা বৃদ্ধি কৰে।

• নষ্টালজিক হৈ পৰিম কিছু মুহূৰ্তৰ স্মৃতি ৰোমন্থন কৰি, ১৩-১৭ ফেব্ৰুৱাৰী — ২০২৩ বৰ্ষৰ পূব কামৰূপ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ। বিভাগীয়ভাৱে শোভাযাত্ৰাত অংশগ্ৰহণ কৰা, তাৰ বাবে প্ৰস্তুতি চলোৱা, শোভাযাত্ৰাৰ অন্তত বিভাগৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে বিহু নাচি আনন্দ কৰা ইত্যাদিবোৰে সকলোৰে জীৱনত সাঁচ বহুৱাই গ'ল।

• আটাইকেইটা দিনতে বিভিন্ন প্ৰতিযোগিতা সমূহত অতি আগ্ৰহেৰে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলোঁ। প্ৰায়বোৰ প্ৰতিযোগিতা সমান্তৰালভাৱে অনুষ্ঠিত হোৱা বাবে কিছুসংখ্যক প্ৰতিযোগিতাত ইচ্ছা থকা সত্ত্বেও অংশগ্ৰহণ কৰিব নোৱাৰাৰ আক্ষেপ থাকি গ'ল।

• স্মৃতিৰ টোপোলাত বান্ধি আজীৱন কঢ়িয়াই লৈ ফুৰিম এটি বিশেষ দিন, ২০২৩ চনৰ ১৬ মাৰ্চ — যুৱ মহোৎসৱৰ বঁটা বিতৰণী সভা। "আলোচনী" আৰু "তৰ্ক আৰু আলোচনা চক্ৰ" বিভাগে আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাসমূহত স্থান লাভ কৰি পুৰস্কৃত হৈ নৃথে আনন্দিত হ'লোঁ।

• পঞ্চম ষাণ্মাসিকত অধ্যয়নৰত সময়ছোৱাতেই শ্ৰদ্ধাৰ মুৰব্বী অধ্যাপক সুৰেন্দ্ৰ কুমাৰ শৰ্মা ছাৰে কৈছিল, বিভাগীয় হাতেলিখা আলোচনী "কুঁহিপাত"ৰ দ্বিতীয় সংখ্যা প্ৰকাশ কৰিবলৈ। বিভাগত লিখনি আহ্বান কৰি জাননী দিয়া হ'ল যদিও ধনাত্মক সঁহাৰি দেখা নগ'ল। মাত্ৰ কেইটামানহে লিখনি জমা দিয়াত আমাৰ লগতে ছাৰো যেন হতাশ হ'ল। বৰ্তমান সময়ত মাত্ৰ ২-৩ মাহত চেমিষ্টাৰ সম্পূৰ্ণ হোৱাৰ ফলত আমি ষষ্ঠ ষাণ্মাসিকলৈ উত্তীৰ্ণ হ'লোঁ। কিন্তু, হৃদয়েৰে বিচৰা, আনন্দমনেৰে কৰিব খোজা কামত যে মিঠা ফল পোৱা যায়, তাৰেই উদাহৰণ স্বৰূপে আমাৰ কামো আৰম্ভ হ'ল। শৰ্মা ছাৰৰ তত্ত্বাৱধানত আৰু আটাইকেইজন শিক্ষাগুৰুৰ উপদেষ্টাত কাম দ্ৰুতগতিত আগবাঢ়িল। চতুৰ্থ ষাণ্মাসিকৰ মেঘালী আৰু ষষ্ঠ ষাণ্মাসিকৰ প্ৰীতিৰাণীয়ে বেটুপাত

সমাপন কৰিলে। নম্রতা, হিয়া আৰু মই ক্লাছৰ শেষত অলংকৰণ আৰু লিখাৰ কামবোৰ কৰি গ'লোঁ। Class, Practical, Project, Presentation — এইবোৰৰ মাজত আলোচনীখনৰ কাম কৰি (ষষ্ঠ ষাণ্মাসিকত) শেষ কৰিব পৰাটো আমাৰ বাবে এক প্ৰত্যাহ্বান আছিল। আলোচনীৰ কাম কৰা এই দিনকেইটিৰ স্মৃতিও সজীৱ হৈ থাকিব।

মহাবিদ্যালয়খনৰ বিষয়ে, বিভাগটোৰ বিষয়ে অগণিত স্মৃতি আছে, যিবোৰ কলমেৰে বৰ্ণাই সামৰি থোৱা সম্ভৱপৰ নহ'ব। ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) ৰ এগৰাকী সক্ৰিয় স্বেচ্ছাসেৱিকা হিচাপে বিভিন্ন ঠাইত বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰাৰ লগতে মহাবিদ্যালয়ত উল্লেখনীয় দিৱসসমূহ উদযাপন কৰা, বক্তৃতা প্ৰদান, পুৰস্কৃত হোৱা ইত্যাদিবোৰ জীৱনৰ অন্য এক আনন্দ, এক অন্য প্ৰাপ্তি।

তিনিটা বৰ্ষত উভতি চাবলৈ গ'লে, মহাবিদ্যালয়খনৰ পৰা আৰু বিভাগটোৰ পৰা বহুখিনি অভিজ্ঞতা, সফলতা, জ্ঞান আহৰণ কৰিলোঁ। ল'বলৈ জনাহেঁতেন বোধহয় আৰু বহুতো ল'ব পাৰিলোহেঁতেন। আহৰণ কৰিব পৰাখিনিক লৈ গৌৰৱ অনুভৱ কৰিছোঁ।

পতন বুলি ক'ব লাগিলে মোৰ দৃষ্টিত বিশেষ একো নাই। ভাগৰিও পৰিছোঁ ভাগিও পৰিছোঁ, কিছুক্ষেত্ৰত মানসিক কষ্টও পাইছোঁ। কিন্তু, মনটোক দৃঢ় কৰি ৰখাৰ বিভিন্ন কাৰণো বিচাৰি পাইছোঁ। কিছু নতুন অভিজ্ঞতাৰে পৰিপুষ্ট হ'ব পাৰিছোঁ।

বিগত তিনিটা বৰ্ষত পাঠ্যক্ৰমৰ উপৰিও অন্যান্য বিভিন্ন দিশত দিহা-পৰামৰ্শ, আদেশ-উপদেশ আগবঢ়োৱা আৰু শিক্ষা-জ্ঞানেৰে পৰিপুষ্ট কৰোৱাৰ চেষ্টা কৰা বিভাগৰ আটাইকেইজন শিক্ষাগুৰুলৈ আন্তৰিক ধন্যবাদ তথা শ্ৰদ্ধা জনালোঁ।

বিগত তিনিটা বৰ্ষৰ প্ৰায় প্ৰতিটো দিনতেই লগত থকা, সহাঁৰি জনোৱা, সমবেদনা জনোৱা প্ৰিয় বান্ধৱী দুজনী — হিয়া আৰু নম্ৰতালৈ আন্তৰিক ধন্যবাদ জনালোঁ।

অনাগত দিনত বিভাগটো তথা মহাবিদ্যালয়খন নৱ-প্ৰতিভাৰে, নৱ-নৱ সাফল্যৰে উজ্জ্বলি উঠক, তাৰেই কামনা কৰিলোঁ॥

# অসমৰ অৰ্কিড

– নক্ষত্ৰ প্ৰীতম্ গোস্বামী
৬ষ্ঠ ষাণ্মাসিক

জৈৱবৈচিত্ৰ্যৰ আকৰ অসমৰ চুকে-কোণে বিভিন্ন প্ৰজাতিৰ অৰ্কিড বিদ্যমান। অৰ্কিড 'অৰ্কিডেচি' (orchidaceae) গোত্ৰৰ অন্তৰ্গত প্ৰবিধি একবীজপত্ৰী উদ্ভিদ। অৰ্কিডৰ তিনিটাকৈ বেটুপাত আৰু পাহি থাকে। বেটুপাত তিনিটা সমান আকৃতিৰ কিন্তু এটা পাহি ৰূপান্তৰিত যাক ওঁঠ বুলি কোৱা হয়। এই বেটুপাত আৰু পাহিকেইটা এনেদৰে সজ্জিত হৈ থাকে যে দেখাত ৬টা পাহিৰ ফুল যেন লাগে। বেছিভাগ অৰ্কিডেই পৰাশ্ৰয়ী যদিও কিছুমান স্থলজ অৰ্কিডো পোৱা যায়। পৰাশ্ৰয়ী অৰ্কিড সমূহে শিপাত থকা 'ভেলামেন' নামৰ বিশেষ তন্তুৰ সহায়ত বতাহৰ পৰা জলীয় বাষ্প আহৰণ কৰে। স্থলজ অৰ্কিডবোৰৰ অনেকৰে কাণ্ড থাকে আৰু ইহঁতৰ শিপাত কিছুমান ভেকুঁৰ বাস কৰি অৰ্কিড সমূহক জীয়াই থকাত সহায় কৰে। ইহঁতৰ সৰহভাগেই মৃতজীৱী। সেইদৰে শিলৰ বুকুত আশ্ৰয় লৈ জীয়াই থকা শিলাশ্ৰয়ী অৰ্কিডো আছে। একেজোপা অৰ্কিডেই প্ৰয়োজন হ'লে শিলাশ্ৰয়ী বা পৰাশ্ৰয়ী হ'ব পাৰে।

ভাৰতত পোৱা ১,৩১৫ মান প্ৰজাতিৰ ভিতৰত অসমত ২৯৩ বিধ অৰ্কিডৰ প্ৰজাতি পোৱা গৈছে। ইয়াৰে ৭২ বিধ

প্ৰজাতি কেৱল অসমতহে পোৱা যায়। তেনে কেইবিধমান অৰ্কিড প্ৰজাতি হ'ল — Phalaenopsis mastersii, Dendrobium miserum, Eria pumila, Eulophia candida, Pholidata calceata, Paphiopedium spicerianum, Tainia barbata, Bulbophyllum oberienianum আদি। অসমৰ কাছাৰ, কাৰ্বি-আংলং, দিহিং পাটকাই, নামেৰি আদি অঞ্চল অৰ্কিডত চহকী।

অসমত পোৱা দুষ্প্ৰাপ্য পৰাশ্ৰয়ী অৰ্কিডৰ ভিতৰত উল্লেখযোগ্য হৈছে — Bulbophyllum apodum, Chrysoglossum ornatum, Cleisostoma linearilobatum, Cleisostoma simondii, Sarcanthus teretifolius, Cleisostoma seidenfadenii, Cotton championii, Diploprora championii, Eriaconnata, Eria ferruginea, Sarcochilus crepidiformis, Euproboscis pygmaea, Thrixspermum notabile, Thrixspermum pygmaeum ইত্যাদি আৰু আপুৰুগীয়া অৰ্কিডৰ ভিতৰত — Collabium chinesne, Ipseawarayana, Arundina graminifolia, Calanthe masuca আদিয়ে প্ৰধান।


বহু প্ৰজাতিৰ অৰ্কিডৰ আকৌ বনৌষধি হিচাপেও সমাদৰ আছে। অসমীয়া সমাজত সকলোৰে আদৰৰ ৰঙালী বিহুৰ বিহুৱতীৰ সাজ-সজ্জাৰ পৰিপূৰ্ণতা প্ৰদান কৰা কপৌফুল পাহে অকল নাচনীৰ খোপাতে শুৱাই নাথাকে। ইয়াৰ শিপা আৰু ফুলৰ ঔষধি গুণো যথেষ্ট গুণ সমৃদ্ধ। হাড়ৰ ৰোগ, জণ্ডিচ, শ্বাসতন্ত্ৰৰ সমস্যা, পেটৰ অসুখ, কাহ-জ্বৰ, বাতবিষ আদি ৰোগ নিৰাময় কৰে। তেনেদৰে Dendrobium crumenative Eulophia campestris, Orchislatifolia, Vanda roxburghii আৰু

Vanda tessellata ৰ ঔষধি গুণ সম্পৰ্কেও বৈজ্ঞানিক তথ্য পোৱা গৈছে ।

বহু সংখ্যক অৰ্কিডেই বৰ্তমান বিপন্ন হোৱাৰ পথত । IUCN (International Union for Conservation of Nature) ৰ ৰঙা তালিকাত বিপন্নপ্ৰায় বুলি চিহ্নিত কৰা অসমৰ অৰ্কিড প্ৰজাতি সমূহ হ'ল — Appleton's paphiopedillum, Charlesworth paphiopedillum, Charming paphiopedillum আদি ।

২০১৫ চনৰ ১৪ অক্টোবৰত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ দুৰ্গাপুৰত ১৫ বিঘা ভূমিৰে 'কাজিৰঙা জাতীয় অৰ্কিড উদ্যান' নামেৰে এখন প্ৰণালীবদ্ধ অৰ্কিড উদ্যান মুকলি কৰা হয় । ইয়াত ভাৰতৰ বিভিন্ন প্ৰান্তত পোৱা ১,৩১৪ বিধ প্ৰজাতিৰ অৰ্কিডৰ উপৰি উত্তৰ পূৰ্বাঞ্চলত পোৱা প্ৰায় সকলো প্ৰজাতিৰ অৰ্কিড সংৰক্ষণ কৰা হৈছে ।

## FACT



Torenia, a shade-loving annual, is called the Wishbone Flower. Look for tiny wishbone-shaped stamens inside the purple, blue or burgundy petals. Torenia is also known as Bluewings flower.

# পূৱ কামৰূপ মহাবিদ্যালয়ত

## মোৰ এক সুমধুৰ যাত্ৰা_ _ _ _ _

- প্ৰিয়ামণি নাথ
৬ষ্ঠ ষাণ্মাসিক

পূৱ কামৰূপ মহাবিদ্যালয় বুলি ক'লে যেন মোৰ কাৰণে এক সুকীয়া অনুভৱ। জীৱনৰ অতি গুৰুত্বপূৰ্ণ ৫ টা বছৰ মই এই মহাবিদ্যালয়তে কটাইছোঁ। মই জনা হোৱাৰ পৰাই মনত এটা সপোন পুহি ৰাখিছিলোঁ, কেনেবাকৈ হ'লেও যেন পূৱ কামৰূপ মহাবিদ্যালয়ত অধ্যয়ন কৰিব পাৰোঁ। মানুহে কোৱা শুনিছিলোঁ পূৱ কামৰূপত পঢ়িব হ'লে এখন ভাল মাৰ্কশ্বিটৰ প্ৰয়োজন, হয়তো সেই বাবেই নিজৰ সপোন বাস্তৱত পৰিণত কৰাৰ উদ্দেশ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত এক সুফল কৰিবলৈ সমৰ্থ হ'লোঁ। নিজক উচ্চস্তৰত দেখিবলৈ কাৰনো মন নাযায়, মোৰো সেই একেটাই। নিজৰ সপোনক উদ্দেশ্য কৰি পূৱ কামৰূপ মহাবিদ্যালয়তে মই বিজ্ঞান শাখাৰ একাদশ শ্ৰেণীত নামভৰ্তি কৰিলোঁ। নামভৰ্তি কৰাৰ দিনটো আজিও মোৰ চকুত জলজল-পটপট। তেতিয়াৰেই আৰম্ভ হ'ল কলেজীয়া জীৱন।

১ আগষ্ট ২০১৬ চন, সেই দিনটো মোৰ কলেজৰ প্ৰথম দিন কলেজৰ সন্মুখ পাই মনটো ভালো লাগিছে,

হোৱা লাগিছে । গেটৰ সন্মুখত অলপ সময় ৰৈ সেইখনক মনতে ভাবিছোঁ, জীৱনত একো বিশেষ কৰিব নোৱাৰিলেও যেন এজন ভাল মানুহ হ'ব পাৰোঁ । উচ্চতৰ মাধ্যমিকৰ প্ৰথম, দ্বিতীয় বৰ্ষ পাৰ হ'ল । এনেকৈ সম্পূৰ্ণ ২ টা বছৰ পাৰ কৰি উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'লোঁ ।

“ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি” — এই বাক্যশাৰী মোৰ লগত ঠিকেই মিলি গ'ল । উচ্চতৰ মাধ্যমিক উত্তীৰ্ণৰ পাছত যিটো কৰিম বুলি ভাবিছিলোঁ সেইটো নহ'ল গৈ, মনত হাজাৰটা প্ৰশ্ন লৈ আকৌ আগবাঢ়িলোঁ পূব কামৰূপৰ দুৱাৰ মেলিলে । সম্পূৰ্ণ ২ টা বছৰ হেৰুৱালোঁ, মনত আকৌ নতুন আশা লৈ এই মহাবিদ্যালয়তে উদ্ভিদ বিজ্ঞান বিভাগত স্নাতকৰ বাবে নামভৰ্তি কৰিলোঁ । কিন্তু বহুত দুখৰ বিষয় যে ক'ৰোণাই তেতিয়া সমগ্ৰ বিশ্বত বিভীষিকাৰ সৃষ্টি কৰিছিল, সেইবাবেই প্ৰথম আৰু দ্বিতীয় ষাণ্মাসিকলৈ সম্পূৰ্ণ ঘৰৰ পৰাই পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা হ'ল । সেই গতিকে সেই সময়খিনি আমাৰ উপভোগ কৰা নহ'ল । লাহে লাহে ক'ৰোণাৰ আতংক কমিব ধৰিলে আৰু আমাৰো কলেজৰ পাঠদান আৰম্ভ হ'ল । সপোনবোৰ আকৌ জীপাল হৈ উঠিল ।

কথাবোৰ লিখি শেষ কৰিব নোৱাৰি, তথাপিও যেন নকলে অধৰুৱা হৈ ৰব । বিভাগীয় ছাত্ৰইতৰ লগত আমি এক বান্ধোনত সোমাই পৰিছিলোঁ, ছাত্ৰইতৰ প্ৰত্যেকটো কথাই আমাৰ জীৱনৰ সাহস হিচাপে আমাৰ লগত আছিল । বিভাগৰ তৰফৰ পৰা আদৰণি কাৰ্যসূচীৰে আমাক **শ্বিলঙলৈ** লৈ যোৱা হ'ল । আমাৰ তত্বাৱধায়ক হিচাপে আমাৰ বিভাগৰ সন্মানীয়

ড° পৰেশ চন্দ্ৰ কলিতা আৰু ড° দীপক কোঁৱৰ ছাৰ আমাৰ লগতে গ'ল। তাত আমি গোটেই দিনটো কটালোঁ, সেই দিনটো আছিল 2022 চনৰ ৪ জুলাই। শিলঙৰ বৰাপানী স্থিত "Experimental Botanical garden" ত বহুতো নেদেখা উদ্ভিদ বিলাকৰ বিষয়ে জানিব পাৰিলোঁ আৰু সেইবোৰ পৰ্যবেক্ষণ কৰিলোঁ।

একেদৰে পঞ্চম ষাণ্মাসিকত Excursion ৰ বাবেই আমাক লৈ যোৱা হ'ল **AAU কাঁহিকুচি** স্থিত Campus লৈ, সেই দিনটো আছিল 2022 চনৰ নৱেম্বৰ মাহৰ 23 তাৰিখ। সেইদিনাও আমি তাত বিভিন্ন ধৰণৰ উদ্ভিদৰ বিষয়ে জানিব পাৰিলোঁ লগতে সেইবোৰ উপভোগ কৰিলোঁ।

এই দুয়োটা দিনেই মোৰ লগতে আমাৰ সকলোৰে বাবে স্মৃতি হৈ থাকিব। জীৱনৰ এই স্বৰ্ণ মুহূৰ্তবোৰ আমি আৰু কেতিয়াও ঘূৰাই নাপাওঁ। আপোন ঘৰ যেন লগা বিভাগটোৰ পৰা বিদায় মাগিব হ'ল। আজিত আৰু মাথোঁ কেইটামান দিন পূব কামৰূপৰ সেই চিৰসেউজ বাকৰিৰ পৰা বিদায় লোৱাৰ। এই দীঘলীয়া যাত্ৰাত মহাবিদ্যালয়ৰ লগতে বিভাগীয় ছাৰহঁতৰ পৰা পাঠ্যক্ৰমৰ উপৰিও জীৱনত কেনেদৰে আগুৱাই যাব পাৰি সেইবোৰ শিকিলোঁ। ছাৰহঁতৰ উৎসাহজনক কথাবোৰে মোক বহুত সাহস দিলে। সেই দিন আৰু সেই সময় কেতিয়াও উভতি নাহে। এইবোৰ সদায় স্মৃতি হৈ জীয়াই থাকিব।

শেষত পূব কামৰূপ মহাবিদ্যালয় সদায় উজ্জ্বলি থাকক তাৰে কামনা কৰিলোঁ।

জয়তু উদ্ভিদ বিজ্ঞান বিভাগ
জয়তু পূব কামৰূপ মহাবিদ্যালয়

# অসমৰ সেউজী ৰূপহী

– কৰিশ্মা কলিতা
৪ৰ্থ ষাণ্মাসিক




সেউজীয়া ধৰণীৰ একোণত হৈ
সূক্ষ্ম ছিদ্ৰৰ গভীৰতাত
তোমাই পাবিলে ....
এনে লাগে যেন এই অসম হৈ থাকক
শান্তিৰ উশাহবোৰ
সৰি পৰে এটি এটিকৈ....

সঁচাকৈ "প্ৰকৃতি মাতৃস্বৰূপা", প্ৰকৃতিৰ বুকুতেই লালিত পালিত হয় প্ৰাণীজগত। অসমৰ প্ৰকৃতিৰ অনুপম দান - "অৰণ্যানি"। সেইকাৰণে হয়তো অসমক " অৰণ্যৰ দেশ" বুলি বিভূষিত

কৰে ।

অতি কম শব্দৰে সমাহাৰেৰে গঠিত শিৰোনামটিয়ে যদিওবা টোকাটিৰ আগস্থান দখল কৰিছে ; এই শব্দৰ যুক্তাক্ষৰত নিহিত হৈ আছে অসমৰ সংখ্যাবিহীন উদ্ভিদৰে বিশাল বৰ্ণনা ।

অসমৰ জৈৱ বৈচিত্ৰ্যতা সূচাব পাৰি অসমৰ নিৰ্দিষ্ট ভৌগোলিক অঞ্চলৰ ভিতৰত সকলো জাতি আৰু প্ৰজাতিৰ প্ৰাচুৰ্যতা আৰু বিভিন্নতা ।

"পূব কামৰূপ মহাবিদ্যালয়ত" উদ্ভিদ বিজ্ঞানৰ ছাত্ৰী হিচাপে অধ্যয়নৰত অসমৰ জৈৱ বৈচিত্ৰ্যতাক এটি চমু টোকা হিচাপে আগবঢ়াইছোঁ ।

অসমৰ বিশাল জৈৱবৈচিত্ৰ্যতাৰ অন্তৰ্গত বাইহাটা চাৰিআলিৰ "মদন কামদেৱ"ৰ প্ৰকৃতিৰ এক আভাস অতি কম শব্দত অন্তৰ্নিহিত কৰা হ'ল ।

অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ মদন কামদেৱৰ জৈৱ বৈচিত্ৰ্যতা ৮০ বিঘা ভূমি লৈ বিয়পি আছে । প্ৰায় ৬৩০ টা উদ্ভিদ প্ৰজাতিৰ ৩৫০ টা চিনাক্ত কৰা হৈছে ।

উল্লেখনীয় প্ৰদৰ্শন হিচাপে -

(a) Mist Chamber
(b) Hi-tech orchidarium
(c) Fern house
(d) Cactus house

অসমৰ জীৱ-সম্পদ কেন্দ্ৰ হিচাপে বিভিন্ন উদ্ভিদৰে উপস্থিতি আছে তাৰ ভিতৰত - অগৰু, নিমগছ, সেন্দুৰ গছ, চোম, দীঘলতী, কঁঠাল, শিলিখা ইত্যাদি ।

ইয়াৰ উপৰিও অসমৰ স্থানিক প্ৰজাতি হিচাপে খ্যাত "চিয়া নাহৰ"ৰ পুলি সফল ভাৱে ৰোপন কৰা হৈছে ।

অসমৰ "সেউজ সোণ" বাঁহৰ উপস্থিতিও ইয়াত পোৱা যায়, তাৰ ভিতৰত ভলুকা, জাতি, মকাল বাঁহ ইত্যাদি।

অতি সামান্য অভিজ্ঞতাৰে অসমস্থিত "মদন কামদেৱৰ" এক সৰু টোকা উক্ত কাগজত সন্নিবিষ্ট কৰিছোঁ।

সঁচাকৈ অসমৰ প্ৰকৃতিৰ সৌন্দৰ্য্য কেতিয়াও লুই কৰিব নোৱাৰি।

মহাত্মা গান্ধীৰ ভাষাত -

Mother nature has
enough for our need
not for our greed...

# FACT



About 85% of all plant life on the planet is in the ocean. Over 228,450 known species live in the ocean. Around 2 million more species remain undiscovered. Aquatic plants provide about 70-80% of the oxygen on Earth, making them extremely important in our everyday lives as well.

# অণুগল্প

"শেষ হৈয়ো কাহানিও শেষ নোহোৱা কহিনীয়ে হৈছে অণুগল্প। অণুগল্পৰ আৰম্ভণি সহজ হ'লেও, শেষ অংশত বলিষ্ঠ জীৱনবোধ থাকিব লাগে। আকাৰত সৰু হ'লেও অণুগল্পৰ বক্তব্য বিষয় তাৎপৰ্যপূৰ্ণ আৰু অৰ্থ বিস্তৃত। উপমা আৰু উপমাৰেই ৰচিত অণুগল্প॥"

# মানৱীয়তা


— নিদুস্মিতা ডেকা
৬ষ্ঠ ষাণ্মাসিক

মইৰেত মানুহৰ ভুল! এক্সিডেণ্টেই হ'ব। শান্তনু বৰা অফিচলৈ এনেই পলম হৈছে, তাতে আকৌ এইবোৰ জঞ্জাল। নাই, এতিয়া মানৱীয়তাৰ খাতিৰত এবাৰ বৈ চাবলৈ তেওঁৰ সময় নাই। অফিচৰ সন্মুখত কাৰ পাৰ্কিং কৰিছিলহে মাথোঁ, অচিনাকী ফোনকলটো ৰিচিভ কৰিয়েই বিপৰীত পক্ষৰ কথা শুনিবলৈ পালে — "মি: বৰা, ২০ মিনিট আগত হৈ যোৱা এক্সিডেণ্টটোত আপুনি আপোনাৰ ভাইক চিৰদিনৰ বাবে হেৰুৱালে। সম্ভৱত: সেইখিনি সময়তে আপুনিও এইফালেৰেই অফিচলৈ গৈছে।" মানৱীয়তাৰ প্ৰয়োজন নো কি, শান্তনু বৰাই সেইদিনা ভালদৰেই উপলব্ধি কৰিলে।

# সময়

— [illegible] প্ৰীতম গোস্বামী
৬ষ্ঠ ষাণ্মাসিক

কিৰণ মহিলা সমিতিয়ে আয়োজন কৰা সম্বৰ্ধনা অনুষ্ঠানত অসম প্ৰশাসনিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা বাবে তাইক সম্বৰ্ধনা জনাই দুআষাৰ কৰবলৈ কোৱাত তাই কৈছিল "মই মোৰ সফলতাৰ বাবে আপোনালোকৰ ওচৰতহে চিৰ কৃতজ্ঞ, আপোনালোকে মোৰ মাহীমাক সময়ে সময়ে দিয়া বিনামূলীয়া উপদেশৰে ফল পাইয়া।"...



Meghali Deka
4th Semester

# কবিতা

"এই দেশৰ প্ৰতিটো পুৱাই মোলৈ লুকাই
আনে ঐশ্বৰ্য্যৰ বিপুল সম্ভাৰ
প্ৰতিটো সন্ধিয়াই বৈ আনে স্নিগ্ধ ফুলৰ
সুৱাস । প্ৰতিটো ঋতুৱে
মোক দি যায় জীৱনৰ আশীৰ্বাদ..."

# মোক অকণমান সময় লাগে

— দিশান্ত নাথ
২য় ষাণ্মাসিক


মোক অকণমান সময় দিয়া
মই গুচি যাব খুজিছো তোমাৰ আপোন
গোন্ধ, বিশ্বাস আৰু জীয়া সপোনবোৰৰ
পৰা ॥
মই মোক ৰঙীন কৰিব খুজিছো,
তুমি চাব খুজিছো প্ৰেমৰ ৰং আৰু
ভাকুটি- কুটাই মোমাই অথা সম্ভাৱনাৰ
প্ৰতিপ্ৰহৰ, ৰদ, বেনামি শব্দবোৰ ॥
যি মোৰ বাবে নতুন হ'ব
সময়ৰ ফাঁকেৰে তুমি চাই থাকিবা,
কাৰণ, কাৰণ মই যে আছো
জী উঠিব নোৱাৰা,
সপোন দেখিব নোৱাৰা,
চুই চাব নোৱাৰা
তুমি বিহীনতালৈ...
মোক তুমি যাবলৈ দিয়া
অকণমান সময়ৰ বাবে...
য'ত মই মোক বিচাৰি নাপাম, য'ত
য'ত তোমাক বিচাৰি মই ক্ৰমশঃ
হাহাকাৰ কৰিব লাগিব ॥
মই পুনৰ উভতি আহিম সেই
দুনিয়ালৈ
য'ত মই পূৰ্ণতা পাওঁ ॥

# COMRADE

— উপাসনা দাস
৪ৰ্থ ষাণ্মাসিক

জীৱনৰ অখলা বগাব নজানিলোঁ,
সকলোতে কেৱল উজুতি খালোঁ,
সকলোৰে যেন আগুৱাই গল,
মই হে থমকি ৰলোঁ,
পোৱা- নোপোৱাৰ হিচাপ বহুত কৰিবলৈ
হতাশ মোৰ জীৱনক লৈ
আৰু হিচাপ নকৰো জীৱনক লৈ
পোৱাখিনি কম নহয় মোৰ,
মোক আছে সাহস দিয়া মানুহ
"মা - দেউতা" যেয়ে বহুত ।

# চিন্তাৰ সমাধা



– নিদুস্মিতা ডেকা
৬ষ্ঠ ষাণ্মাসিক

আবেলিৰ সুৰুজৰ ৰঙত বাউলী হৈছোঁ
সাঁঝৰ জোনাকসনা অন্ধকাৰত বিলীন হৈছোঁ,
নিজৰ মাজতেই হেৰাই গৈছোঁ
পুনঃ নিজতেই নিজক বিচাৰি লৈছোঁ ।
বাৰে বাৰে উজুটি খাইছোঁ, বাৰে বাৰে পৰিছোঁ
আকৌ নিজতেই ভেঁজা দি উঠিছোঁ,
নিজতেই জ্ঞান হেৰুৱাইছোঁ নিজতেই চেতনা আনিছোঁ ।
মই নিজতেই স্বাধীনতা হেৰুওৱা যাদৃচ্ছিক সমল নহয়
ঠিকনা বিচাৰি কোলাহল কৰা পথভ্ৰষ্টা বিহগো নহয়,
মোৰ হাহাকাৰ মোৰ মাজতেই আৱদ্ধ
মোৰ বৃত্তান্ত মোৰ মাজতেই সীমাবদ্ধ,
নিজ আঁশুজালতেই দীপ্ত মই
কাহানিও নহয় মই অৱৰুদ্ধ ।
সময়েই নিৰ্ণয় কৰিব জীৱন,
সময়ৰ আগত বা পাছত সকলো বৃথা
জীৱন পথত সকলোতেই আহিব হেজাৰ-বিজাৰ বাধা,
পৰাধীনতাৰ মাজতো স্বাধীনতা সামৰি
হ'ব বিচাৰো এটি সাতামপুৰুষীয়া চিন্তাৰ সমাধা ।

# সময়




— হিয়ামণি নাথ
ষষ্ঠ ষাণ্মাসিক

সময়বোৰ কেনেকৈ পাৰ হৈছে
আজিকালি গমেই নোপোৱা হ'লোঁ,
উশাহকণ ল'বলৈও ভাবিব লগা হ'ল।
প্ৰতিটো ক্ষণত মোৰ মনে প্ৰশ্ন কৰে,
জীৱনত আগুৱাই যাব পাৰিম জানো ?
পাৰিম জানো নিজৰ লক্ষ্যত উপনীত হ'বলৈ ?
এসোকোৰা সপোন বুকুত বান্ধি ৰৈ আছোঁ,
জীৱনৰ সন্ধিক্ষণত .....
মাজে সময়ে এজন দুজনে প্ৰশ্ন কৰে....
জীৱনত তই কৰিছ' কি ?
তই চোন হাৰি গ'লি.....
তেতিয়াই যেন মোৰ মূৰৰ ওপৰত আকাশখন খহি পৰে।
হৃদয়খনে কান্দি উঠে.... তেতিয়াই অনুভৱ হয়
নিজৰ বুলিবলৈ আছেনো কোন ?

**FACT**

Tree rings can predict climate change.

# শোষণ - পোষণ

- সমীৰণ কলিতা
২য় ষাণ্মাসিক

শোষণ যেন লাগে নেকি ?
কিয় ? তুমিটো পোষণত অভ্যস্ত ।
প্ৰতিবাদৰ নহয়, তোমাৰ আজিৰ এই কণ্ঠ ...
কৰ্মৰ বাবে থকা হাত - ভৰিবোৰ
কৰ্মবিমুখতাৰ পিনে মাথোঁ ধাৱমান ।
তথাপি পোষণত যদি তুমি তুষ্ট,
নৰ্কবা তেন্তে শোষণৰ কষ্ট ।
জুই যদি লাগিছে সেয়া বনজুই হওঁক,
হাড় যদি ভাগিছে সেয়া ভৌতিৰ মাটি হওঁক ।
লালসাৰ পোষণত গোলাম নহৈ,
প্ৰতিবাদৰ উপ্ৰেকণ হওঁক ।
পোষণত ব্যস্ত নহলে,
শোষিত নহয় জনতা ।
পোষণ যদি অভ্যস্ত
নৰ্কবা দুনাই শোষণৰ কষ্ট ॥

## FACT

Trees are the longest living organisms on Earth and never die of old age.

# চিঠি




— দৰ্শনা শইকীয়া
৬ষ্ঠ ষাণ্মাসিক

ৰবিবাৰে তাৰবেলি নৈৰ পাৰলৈ আহিবি সেউতী
বতাহে নচুৱাই যোৱাকৈ তোৰ ক'লা চুলিখিনি
খুলি নাহিবি।

দুচকুৰ উপত্যকাত কজলা মেঘ
ওঁঠত বৰহমথুৰিৰ নুবুলাবি।
তোৰ যে কেচবটীয়া ইন্দুহাৰখন
যৌৱন ঢাকি সেইখন মেৰিয়াই আহিবি।

তোৰ লগত সেউজীয়াৰ ওপৰত বহিম
উৰণীয়া চৰাইজাক হেঁপাহে পলুৱাই চাম।
কাঁচিয়লী ৰ'দজাকে তোক জোকাই চাব।
মাজে মাজে মই কথা ক'ম, তই শুনিবি.....

তোৰ ভাৱনাবোৰ সমস্ত ৰঘুমলা হৈ বগাইছে
আৰু মোৰ উদং বুকুখনত,
সেউজীয়া অলপ শিপাইছে, দকৈ শিপাইছে।

# নিৰ্বাহিতা

– নিতুস্মিতা ডেকা
৬ষ্ঠ ষাণ্মাসিক

এখনি নৈ বৈ আছিল
সপোনবোৰে বঠা বাইছিল,
অনাকাংক্ষাবোৰক উটুৱাই নিয়াৰ
এক বিশাল আয়োজন চলিছিল।
বিৰিখ-বিহগ আৰু নৈখনি,
আকৰ্ষণৰ এক আজুৰ অকৰণ আছিল।
গ্ৰীষ্মৰ নিদ্ৰালস দুপৰীয়া এটিত
হৃদয় জুৰুৱা বতাহ এছাটি,
আনিছিলে তৃষ্ণাতুৰ মনটোক পুনৰ্জীৱিত কৰাৰ
জীৱন্ত ছবিটি।
অতৰ্কিতে ৰূপৰ পৰিৱৰ্তন হ'ল
নৈখনি নিৰ্বাহিতা হ'ল,
সময়ৰ সোঁতত উটি গ'ল।
নিৰ্জল নৈখনি অসজ্ঞাতি যেন লগা নাছিল,
অস্তিত্ব একেই আছিল
কিন্তু আন্তৰিকতাৰহে হনন ঘটিল
নৈখনিৰ বুকুত পৰিতাপৰ কোনো ৰং দেখা নাযায়,
শুষ্ক দুবাহুত ঠাইৰ উদ্ভিদ ঠাইতে শোখায়।

## সংগ্ৰহ :

# স্বপ্ন

– কাজৰিকা ভূঞা
৪ৰ্থ ষাণ্মাসিক
কবি – ভবেন্দ্ৰ কুমাৰ দাস


তুমি জোন হৈ আহিলে
মই জোনাকলৈ বাট চাওঁ।
তৰাবোৰে কথাবোৰ নুবুজে,
এন্ধাৰেও।
সদ্যস্নাতা সুৰাজনী নহালেকে
আমি স্বপ্ন আঁকি যাওঁ।
সুৰাজনী যে আৰু
ইমান সোনকালে আহে!
কাইলৈ আকৌ আহিবা,
স্বপ্নবোৰ আকৌ আঁকিম।

**FACT**

Trees can help to reduce stress.

# চুটিগল্প

"বাস্তৱ জীৱনৰ বিশেষ একোটা ঘটনাৰ মাজেদি জীৱন ধাৰণা ফুটাই তোলা সংক্ষিপ্ত পৰিসৰৰ সু-সংগঠিত, সংগত আৰু সংহত কথাশিল্পই হল চুটিগল্প॥"



# শংকা

শ্ৰী পুষ্পেন্দ্ৰ কুমাৰ শৰ্মা
মুৰব্বী অধ্যাপক
উদ্ভিদ বিজ্ঞান বিভাগ

ডাংকোলাকৈ আনি ল'ৰা তিনিজনে মহিলা ৱাৰ্ডৰ খালী বিচনা এখনত মানুহ গৰাকীক শুৱাই দিলে। গাত কাপোৰ বুলিবলৈ ইতিমধ্যে বৰষুণত তিতা চাদৰ আৰু মেখেলা খনৰ বাহিৰে আন একো নাই। শুকাই - খীণাই চৰ্মসাৰ দেহাটোত যৌৱনত দগমগাই থকা মঙহৰ পৰোভৰ মুঠেই নাই। গাভৰু কালত মানুহ গৰাকী যে ধুনীয়া আছিল, গঢ়- গতিয়ে বুজাই দিয়ে। এতিয়া দেহৰ ছাল শোতোৰা পৰা। চকুত নাই গাভৰু কালৰ টগবগ তীক্ষ্ণ চাৱনি।

ল'ৰা তিনিজনে দৌৰাদৌৰিকৈ মহিলা ৱাৰ্ডত কৰ্মৰত ডাঃ নমিতাক লগ ধৰিলেহি। ডাঃ নমিতাই ততাতৈয়াকৈ সোমাই আহিল মহিলাগৰাকীৰ ওচৰলৈ। গাত হাত দি ডাঃ নমিতাই মানুহ গৰাকীৰ দেহত কিমান জ্বৰ থাকিব পাৰে অনুমান কৰিবলৈ যত্ন কৰিলে। ইতিমধ্যে পাছে পাছে সোমাই অহা ল'ৰাকেইটাই এখন গৰম কম্বল বিচাৰি দৌৰাদৌৰি লগাইছে। সিহঁত কোনোৱা এটা স্বেচ্ছাসেৱী সংস্থাৰ সদস্য। বাটে - ঘাটে এনেকুৱা অসহায় মানুহ পালে সহায় কৰাটোৱেই সিহঁতৰ কাম।

ডাঃ নমিতাৰ প্ৰশ্নত মানুহ গৰাকীয়ে সেহাই সেহাই জীৱনৰ কিছু কথা ক'লে যিখিনি শুনি ডাঃ নমিতা চক খাই উঠিল। তাতোকৈয়ো আচৰিত হ'ল যোৱাৰাতি যেতিয়া নিজৰ পুত্ৰই চাতুৰিৰে আনি এই চহৰৰ ফুটপাথত এৰি যোৱা শুনিলে।

নিজৰ সন্তানেও এনে কৰিব পাৰেনে ? — ডাঃ নমিতাই নিজকে নিজে প্ৰশ্ন কৰিলে।

মানুহ গৰাকীক বেজী এটা আৰু লৰাকেইটাৰ হাতত প্ৰেচক্ৰিপচন এখন তুলি দি ডাঃ নমিতাই লৰালৰিকৈ আহি নিজৰ চেম্বাৰত সোমাই দুৱাৰখন বন্ধ কৰি দিলে। চেম্বাৰত থকা গ্লাচখনৰ সন্মুখত থিয় দি ডাঃ নমিতা সচকিত হ'ল। গম নোপোৱাকৈয়ে নিজৰো দেখোন বহুত পৰিৱৰ্তন হৈছে। চুলিবোৰৰ ৰং মলিন হ'বলৈ ধৰিছে। দেহত নাই আগৰ সেই কমনীয়তা। ডাঃ নমিতাই যেন আজিহে ভুলকৈ ধৰিব পাৰিছে। তাৰ মানে মানুহগৰাকীৰ দৰে ময়ো হেৰুৱাম নেকি মোৰ শৰীৰৰ বৈভৱ।

লৰা-বোৱাৰীৰ ওপৰত সঁচাকৈয়ে ভৰসা কৰিব পাৰিম নে? তাৰ মানে আমাৰো কেতিয়াবা এনে হ'ব পাৰে নেকি? — ডাঃ নমিতাই নিজকে মনে মনে ক'লে।

এটি অজান আশংকাই ডাঃ নমিতাক আতংকিত কৰি তুলিলে।

## FACTS



Strawberries contain more Vitamin C than Oranges. They are only fruit that has seeds on the outside. The average strawberry contains 200 seeds. Strawberries are a type of Rose. The fear of Strawberries is called Fragariaphobia.

# স্বৰ্গত নিৰ্বাচন




— বেনজিৰ চুলতানা
প্ৰাক্তন ছাত্ৰী

ব্ৰহ্মাৰ এইকেইদিন বিৰাট টেনচন, স্বৰ্গত নিৰ্বাচনৰ বতৰ। সকলোকে হেনো কেজৰিৱালৰ দৰে নেতা লাগে। ইন্দ্ৰৰ শাসনত সকলো বৰ হৈ গৈছে। স্বৰ্গত হাস্পতাল, বিউটি পাৰ্লাৰ, Gym নিৰ্মাণৰ লগতে কৰ্মসংস্থাপনৰ প্ৰতিশ্ৰুতি দি ইন্দ্ৰ ইলেকচনত উঠিছিল, কিন্তু তেওঁ হেনো অপেস্বৰী মেনকাহঁতৰ লগত চিনেমাৰ চুটিঙত ব্যস্ত হৈ পৰিল। আনফালে CAA ৰ সমৰ্থন জনাই নৰকৰ পৰা ৬ কোটি মানুহ আনিবলৈও তেওঁ সাজু। সেয়েহে বৰ্তমান নিৰ্বাচনৰ প্ৰস্তুতিৰ সকলোবোৰ দায়িত্ব ব্ৰহ্মাৰ মূৰত। মহাদেৱ হ'ল ভাঙুৱা, ভাং খাই কৰই নোৱাৰে, ক'ত কি কৰি থাকে? সকলো Pressure আহি পৰিছে ব্ৰহ্মাৰ ওপৰত। Stress কমাবলৈ তেওঁ নাৰদক ফোন লগালে —

— হেল্ল' নাৰদ, সকলো ৰেডি হ'লনে? এইবাৰ Online ভোটিং ব্যৱস্থা কৰা হ'ব।

— Yes Boss, সকলো ঠিকে আছে। All is Well. আপোনাক Whats App ত নিৰ্বাচনৰ Group ত Add কৰিছোঁ আজি। মহাদেৱক ছাৱক Admin দিছোঁ।

— অ' হয় নেকি? মই Whats App on হে কৰিব পৰা নাই। JIO ৰ নেটৱৰ্ক বৰ বেয়া হৈছে আজিকালি। সৰস্বতীক কিমান ক'লো আম্বানীক Complain এটা দিবলৈ। তেওঁ আকৌ DSLR ত ফ'টো উঠাতহে Busy.

— হাঁঃ হাঁঃ, It's OK Sir. It is a Fashion. Anyway ইন্দ্ৰ

ডাভৰীয়াক টিকট দিয়াটো ভুলেই হ'ব নেকি ?

— Yaa, মইয়ো ভাবিছো কথাটো। কিন্তু, দিবই লাগিব। নিদিলে কথাটো বৰ বেয়া হ'ব। বিশেষকৈ Facebook ত কিবা সন্ত্রাসৰ সৃষ্টি হয় বুলি ভয়েই লাগিছে। অপেশ্বৰীসকলে এইবাৰ ইন্দ্ৰৰ সমৰ্থনত বৰকৈ Status দি আছে।

— Boss, এইবাৰ ন'হলে "আম আদমী পাৰ্টি"ৰ হৈ সৰস্বতী মেমকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কওঁক, ইন্দ্ৰৰ বিপক্ষে। বিষ্ণু ছাৰ, লক্ষ্মী মেম, মহাদেৱ ছাৰ, পাৰ্বতী মেম আৰু গণেশ ছাৰক মই মেনেজ কৰিম।

— কথাটো তুমি ভুল কোৱা নাই। কিন্তু সৰস্বতী বৰ্তমান সৌন্দৰ্য্য-চৰ্চাতহে ব্যস্ত হৈ পৰিছে।

— উপায় নাই Boss. মেমক বুজাওক। নহ'লে ইন্দ্ৰ ডাভৰীয়া জিকিলে CAA ৰ মতে ৫ কৌটি নবকৰ মানুহ ইয়ালৈ আহিব। সৰ্বনাশ হ'ব।

— Right, You are right নাৰদ। সৰস্বতীক বুজাম মই। ভাষাৰ সংকটত, জাতিৰ সংকটত সৰস্বতী নিশ্চয় আগবাঢ়ি আহিব। সৰস্বতীয়ে হ'ব আমাৰ স্বৰ্গৰ বাণী। সৰস্বতীয়ে হ'ব আমাৰ কেজৰিৱাল।

## FACT




Dendrocalamus hookeri is the second largest bamboo all over the world, growing to 20 m (65 ft) by 2 m (6ft) at a fast rate.

# মৃত্যুৰ সংজ্ঞা



— শ্ৰী পুলেন্দ্ৰ কুমাৰ শৰ্মা
মুৰব্বী অধ্যাপক
উদ্ভিদ বিজ্ঞান বিভাগ

ৰাষ্ট্ৰীয় চেমিনাৰ খনৰ প্ৰাতঃকালীন অধিৱেশন খনত ভাষণ দিবলৈ বুলি আহি ডাঃ অবিনাশে চেমিনাৰৰ সমন্বয়ক ড° ভূষণৰ সতে লোনে লোনে মিটিং হ'লত প্ৰৱেশ কৰিলে। গৱেষক, শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলৰ সৈতে পৰিচয় কৰাই দি সমন্বয়ক ড° ভূষণ আঁতৰি গ'ল।

মই আজি সঁচাকৈয়ে কিছু অসুস্থ যদিও যিটো বিষয়ক লৈ যথেষ্ট আগ্ৰহী, যাক লৈ মই যথেষ্ট পঢ়া-শুনা কৰিছোঁ, লেখা-মেলা কৰিছোঁ সেই বিষয়টো — "মৃত্যুৰ সংজ্ঞা বিচাৰি" তাকে মাত্ৰ আপোনালোকৰ সতে আলোচনা কৰিবলৈহে আহিছোঁ — সুপ্ৰভাত জনাই ডাঃ অবিনাশে আটাইকে উদ্দেশ্যি ক'লে।

জন্ম পালে এদিন মৃত্যু হবই। মৃত্যু মানে জীৱনৰ অৱসান। কিন্তু মৃত্যুৰ কোনো নিজস্ব অৰ্থ নাই নেকি? আপোনালোকে জানে ভাৰতীয় দৰ্শনে কৈছে — আমাৰ আত্মা আছে যি অমৰ। মৃত্যুৰ পাছত সেই আত্মাই অন্যত খিতাপি লৈ আকৌ জীৱনৰ পাতনি মেলে। আত্মাৰ মুক্তি মানেই যদি মোক্ষ লাভ হয় তেনেহ'লে কিহৰ বাবে আত্মাই মুক্তি পায়? মুক্তি নোপোৱা মানেই এই পৃথিৱীত আত্মাৰ পুনৰ আৰ্বিভাৱ হয় নেকি? ফ্ৰয়েদীয় ধাৰণাও আকৌ সম্পূৰ্ণ পৃথক। বস্তু সৰ্বস্ব জগত মৃত্যুৰ ধাৰণা, মূল্য কি? মৃত্যু বিভিন্ন ধৰণে আহে —

আকস্মিক, অকাল, ৰোগগ্ৰস্ত, বাৰ্দ্ধক্য জনিত নাইবা আত্মহত্যা কিন্তু সকলোৰে এটাই সমিধান সেয়া হৈছে জীৱনৰ অৱসান। মৃত্যুৰ নিজস্ব সংজ্ঞা কি হ'ব পাৰে ? কোনো কবিয়ে আকৌ কৈ গৈছে — মৃত্যু এক শিল্প। মৃত্যু সম্পৰ্কে ব্যাখ্যা কৰিবলৈ গৈ ক্ৰমান্বয়ে নিজৰ মাজতে বিলীন হ'ব ধৰা ডাঃ অবিনাশ ইমানতে ঢলি পৰিল। দৌৰাদৌৰীকৈ তেখেতক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰা হ'ল।

ইতিমধ্যে সময় অতীত হৈ গ'ল। হস্পিটেলত চিকিৎসকে নাড়ী স্পন্দন চাই প্ৰকাশ কৰা অভিব্যক্তিৰ পৰা বুজা গ'ল — ডাঃ অবিনাশ আৰু নাই।

আশ্চৰ্য্যজনিত গৱেষক ছাত্ৰ কেইজনমানে ডাঃ অবিনাশৰ মৃত্যুক লৈ কৰা আলোচনাৰ মাজতে এজনে দুখ প্ৰকাশ কৰি ক'লে — মৃত্যুৰো সংজ্ঞা থাকিব পাৰে নে ?

**FACT**



The Great Basin bristlecone Pine, <u>Pinus Longaeva</u> has long been considered Earth's oldest living thing. According to tree-ring data, it is 5,000 years old.

# সাফল্যৰ ৰেঙণি

যুৱ মহোৎসৱ

- **হিয়ামণি চুলতানা** (6th Sem)
  - Miss PKC ; 2nd Runners up.
  - কইনা প্ৰতিযোগিতাত নিচুকনি
- **সমীৰণ কলিতা** (2nd Sem)
  - জয়ন্ত হাজৰিকা সংগীত ; তৃতীয় স্থান
  - সাজ্ঞা প্ৰতিযোগিতাত দ্বিতীয় স্থান
- **ৰেকিবুৰ ৰহমান** (6th Sem)
  - আকস্মিক বক্তৃতা; তৃতীয় স্থান
- **বিদিশা হাজৰিকা** (6th Sem)
  - বিহু নৃত্য ; তৃতীয় স্থান
- **প্ৰীতিৰাণী ডেকা** (6th Sem)
  - চিত্ৰাংকণ প্ৰতিযোগিতাত তৃতীয় স্থান
- **নক্ষত্ৰা প্ৰীতম গোস্বামী** (6th Sem)
  - তৰ্ক প্ৰতিযোগিতাত তৃতীয় স্থান
- **মিচুস্মিতা ডেকা** (6th Sem)
  - খিতাতে অণুগল্প লিখা ; প্ৰথম স্থান
  - একাংকিকা নাট লিখা; দ্বিতীয় স্থান
  - ভ্ৰমণ কাহিনী লিখা ; দ্বিতীয় স্থান
  - স্বৰচিত কবিতা আবৃত্তি ; বিচাৰকৰ বিশেষ বঁটা
  - কাৰ্টুন অংকন প্ৰতিযোগিতা ; দ্বিতীয় স্থান
  - অনুদিত গল্প প্ৰতিযোগিতা ; প্ৰথম স্থান
  - খিতাতে চুটিগল্প লিখা ; দ্বিতীয় স্থান

যুৱ মহোৎসৱ

- **দলীয় নৃত্য প্ৰতিযোগিতা ; দ্বিতীয় স্থান**
  - ৰক্ষা ৰাণী কুমাৰ (4th Sem)
  - চৰনস শেইৰাজ (4th Sem)
  - পূজা কলিতা (4th Sem)
  - হিমামণি চুলতানা (6th Sem)
  - বৰ্ত্তিশিখা নাথ (6th Sem)
  - ৰিমি বেগম (6th Sem)

- **Cricket ; Runners Up**
  - সঞ্জীৱণ কলিতা (2nd Sem)
  - প্ৰণৱ কলিতা (2nd Sem)
  - কুলদ্বীপ কলিতা (2nd Sem)
  - বিৰাজ ডেকা (4th Sem)
  - জিয়াউল ৰহমান (2nd Sem)
  - আচিক ৰাজা (2nd Sem)
  - ৰিপজ্যোতি ডুট্টু (2nd Sem)
  - আৰ্ফিজুদ্দিন আহমেদ (2nd Sem)
  - মৃগাংক ৰাজবংশী (6th Sem)
  - জিতৰাজ কলিতা (2nd Sem)

অন্যান্য

- আলোচনী বিভাগে আয়োজন কৰা কবিতা আবৃত্তি প্ৰতিযোগিতাত তৃতীয় স্থান —

  **নম্ৰতা প্ৰীতম গোস্বামী (6th Sem)**

- গান্ধী-জয়ন্তী উপলক্ষে আয়োজন কৰা লিখিত কুইজ প্ৰতিযোগিতাত তৃতীয় স্থান আৰু গণৰাজ্য দিৱস উপলক্ষে আয়োজন কৰা লিখিত কুইজ প্ৰতিযোগিতাত তৃতীয় স্থান —

  **হেফজুৰ ৰহমান (6th Sem)**

- নাৰী দিৱস উপলক্ষে আয়োজন কৰা শ্লোগান লিখা প্ৰতিযোগিতাত দ্বিতীয় স্থান আৰু ফটোগ্ৰাফী প্ৰতিযোগিতাত দ্বিতীয় স্থান —

  নিদুস্মিতা ডেকা (6th Sem)

- "আজাদী কা অমৃত মহোৎসৱ" উপলক্ষে ভাৰত চৰকাৰৰ তথ্য আৰু জনসংযোগ মন্ত্ৰালয়ৰ সহযোগত মহাবিদ্যালয়ত আয়োজিত
  - মুকলি কুইজ প্ৰতিযোগিতাত পুৰস্কৃত —

    নিৰাজ ডেকা (4th Sem)

    ভাস্কৰ কলিতা (6th Sem)
  - আকস্মিক বক্তৃতা প্ৰতিযোগিতাত দ্বিতীয় স্থান —

    নিদুস্মিতা ডেকা (6th Sem)

# প্ৰাচীৰ পত্ৰিকা




শিৰোনাম : BOTANICA.

বিষয়বস্তু : PLANT DIVERSITY

সাৰমৰ্ম :
"গছ থাকিলেহে
মানুহ থাকিব"।

উন্মোচক : শ্ৰী যুত নাৰায়ণ গোস্বামী
উপাধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয় ।

উন্মোচন : ২৭ চেপ্তেম্বৰ, ২০২২ ।

সম্পাদক : উপাসনা দাস, তৃতীয় ষাণ্মাসিক ।

সদস্য : তৃতীয় ষাণ্মাসিক (বৰ্তমানৰ ৪ৰ্থ)ৰ ছাত্ৰ-ছাত্ৰীসকল
ক্ৰমে বিৰাজ, বিক্ৰিত, পাৰ্থ, নিৰহ্ন, ভাৰ্গৱ, বৰষা,
কস্তুৰিকা, মুন, বন্দনা, ফেমিনা, অনন্যা, জুবি, ঝৰ্ণা,
পূজা, অংকিতা, চৌলমা, প্ৰিয়াংকি, মেঘালী, দিক্ষিতা,
ভূপালী ।

* বিভাগৰ বাবে গৌৰৱৰ কথা যে ২০২২-২৩ বৰ্ষৰ উক্ত প্ৰাচীৰ পত্ৰিকাখনিয়ে মহাবিদ্যালয়ৰ "আলোচনী বিভাগে" আয়োজন কৰা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে।

# বিভাগৰ এটি ৰেঙণি



